## ১ (ক) একচেটিয়াধৰ্মী প্ৰতিযোগিতা বজাৰ (Monopolistic Competitive Market)

যি বজাৰ ব্যৱস্থাত সীমিত সংখ্যক বিক্ৰেতা বা উৎপাদন প্ৰতিষ্ঠানে ঘনিষ্ঠ বিকল্প সামগ্ৰী উৎপাদন কৰে আৰু য'ত বিক্ৰেতাৰ প্ৰৱেশ আৰু প্ৰস্থানত কোনো ধৰণৰ বাধা নাথাকে বা বিক্ৰেতাসকলে বজাৰত মুক্তভাৱে প্ৰৱেশ আৰু প্ৰস্থান কৰিব পাৰে, তাকে একচেটিয়াধৰ্মী প্ৰতিযোগিতা বজাৰ বুলি কোৱা হয়।

## ১ (খ) অভিধাৰণা (Assumptions)

১) একচেটিয়াধৰ্মী বজাৰত সীমিত সংখ্যক বিক্ৰেতা বা উৎপাদন প্ৰতিষ্ঠান থাকে আৰু ইয়াৰ চলমানতাৰ ওপৰত কোনোধৰণৰ বাধা নিষেধ

Scanned with CamScanner

নাথাকে। বিক্ৰেতাসকলক লৈ এটা থুপৰ (Group) সৃষ্টি হয় আৰু সাধাৰণতে এনে থুপৰ অন্তৰ্ভুক্ত বিক্ৰেতা বা উৎপাদন প্ৰতিষ্ঠানৰ সংখ্যা দহৰ পৰা ত্ৰিশটাৰ ভিতৰত হ'ব পাৰে।

২। একচেটিয়াধৰ্মী বজাৰত ঘনিষ্ঠ বিকল্প সামগ্ৰী উৎপাদিত হয়। সেয়েহে এই বজাৰত এটা থুপৰ অন্তৰ্গত প্ৰতিজন বিক্ৰেতাই স্বকীয়ভাৱে নিজৰ উৎপাদিত দ্ৰব্যৰ দাম নিৰ্ধাৰিত কৰিব পাৰে। অৱশ্যে এই ক্ষমতা অসীম নহয়, যিহেতু উৎপাদিত সামগ্ৰীসমূহ ঘনিষ্ঠ বিকল্পযোগ্য।

৩। একচেটিয়াধৰ্মী প্ৰতিযোগিতা বজাৰত উৎপাদন প্ৰতিষ্ঠানৰ চাহিদা ৰেখা (Demand curve) বা গড় আয় ৰেখা (AR= Average Revenue curve) বাওঁফালে ওপৰৰ পৰা সোঁফালে তললৈ ঢাল খোৱা আৰু প্ৰান্তিক আয় ৰেখাও (MR = Marginal Revenue Curve) একেদৰে সোঁফালে তললৈ ঢাল খোৱা হয় আৰু গড় আয় ৰেখা সদায় প্ৰান্তিক আয় ৰেখাৰ ওপৰত অৱস্থিত হয়। কাৰণ, যদিও এই বজাৰ ব্যৱস্থাত বিক্ৰেতাই উৎপাদিত দ্ৰব্যৰ দাম নিজে নিৰ্ধাৰণ কৰিব পাৰে, তথাপিও নিজৰ উৎপাদিত দ্ৰব্যৰ বিক্ৰী বৃদ্ধিৰ বাবে অতিৰিক্ত গোটৰ দাম হ্ৰাস কৰিবলগীয়া হয়। তাৰোপৰি এই বজাৰত উৎপাদিত সামগ্ৰীসমূহ ঘনিষ্ঠ বিকল্প হোৱা বাবে গড় আয় ৰেখা বেছি স্থিতিস্থাপক হোৱা দেখা যায়।



চিত্ৰ নং - ১

Scanned with CamScan

৪। একচেটিয়াধৰ্মী প্ৰতিযোগী বজাৰত উৎপাদন খৰচৰ উপৰিও বিক্ৰী ব্যয় (Selling cost)ৰ সৃষ্টি হয়। বিক্ৰী ব্যয়ে হ'ল অধিক বিক্ৰীৰ বাবে বিজ্ঞাপন, প্ৰচাৰ কাৰ্য আদিৰ বাবদ হোৱা ব্যয়। বিক্ৰী ব্যয় উৎপাদন ব্যয়ৰ অন্তৰ্ভুক্ত।

Scanned with CamScanner